**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-05-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত বঙাইগাঁৱত প্ৰচাৰ চলায়। নিৰ্বাচনী সভাত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাত অসমত উগ্ৰবাদী সমস্যাৰ সমাধান হোৱাত ৰাজ্যখনত বিগত ৩টা বছৰত কোনোধৰণৰ হিসাংত্মক ঘটনা সংঘটিত হোৱা নাই। মহিলাসকলৰ স্বাস্থ্যৰ প্ৰতি বিজেপি নেতৃত্বাধীন চৰকাৰখনে বিশেষ গুৰুত্ব আৰোপ কৰা বুলি দাবী কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, মহিলাসকলৰ জৰায়ুৰ কৰ্কটৰোগৰ বিনামূলীয়া প্ৰতিষেধক প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৫ চনত বঙাইগাঁওবাসী ৰাইজে বঙাইগাঁৱৰ নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱা লাভ কৰিব বুলি দাবী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে উন্নয়নমূলক আঁচনিসমূহৰ ধাৰাবাহিকতা সুনিশ্চিত কৰিবলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে নলবাৰী জিলাৰ চামতা বালিপথাৰতো এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

কোকৰাঝাৰ লোকসভা সমষ্টিতো নিৰ্বাচনী প্ৰচাৰলৈ মাত্ৰ এটা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। লোকসভা সমষ্টিটোৰ অন্তৰ্গত ছিদলী-চিৰাং বিধানসভা সমষ্টিৰ নিলিবাৰীত এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বিৰোধী দল কংগ্ৰেছৰ লগতে বিটিচিত ১৭ বছৰ শাসন কৰা হাগ্ৰামা মহিলাৰীৰ শাসনকালৰ তীব্ৰ সমালোচনা কৰে। ইয়াৰ বিপৰীতে বিজেপি আৰু ইউ পি পি এল মিত্ৰজোঁটৰ শাসনকালত অঞ্চলটোত জনসাধাৰণে শান্তিৰে জীৱন যাপন কৰিব পাৰিছে বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে।

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু সাংসদ ৰনগৌৰা নাৰ্জাৰীয়েও আজি কোকৰাঝাৰ সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ চিৰাং দুৱাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

আনহাতে মন্ত্ৰী সঞ্জয় কিষাণে বাক্সাৰ বাঁহবাৰীত আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ধুবুৰী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাৱেদ ইছলামৰ সমৰ্থনত আজি গোৱালপাৰা চহৰত এটা বাইক ৰেলী উলিওৱা হয়। গোৱালতুলি, বলধমাৰী খেলপথাৰৰ পৰা উলিওৱা বাইক ৰেলীটোৱে গোৱালপাৰা চহৰৰ ১৯টা ৱাৰ্ড পৰিভ্ৰমণ কৰে।

আনহাতে বিধায়ক আমিনুল ইছলামে আজি ধুবুৰীৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলৰ সমৰ্থনত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলখনত মানকাচৰৰ বিধায়কগৰাকীয়ে শাসকপক্ষৰ লগতে কংগ্ৰেছ দলৰো সংখ্যালঘু বিৰোধী স্থিতিৰ তীব্ৰ সমালোচনা কৰে। বৰপেটা জিলাৰ মন্দিয়াত আজি ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী তথা এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি প্ৰাৰ্থীগৰাকীয়ে কয় যে, দলটোৱে সংখ্যালঘু সকলক কেৱল ভোটবেংক হিচাপেহে ব্যৱহাৰ কৰিছে।

ooooo

৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৪টা সমষ্টিৰ অন্তৰ্গত জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গোৱালপাৰা জিলাৰ ৯১০টা কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পন্ন হৈছে। আনহাতে আটাইকেইখন জিলাতে কাইলৈ বিয়লি ৫ বজাৰ পৰা ভোটগ্ৰহণৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। ভোটগ্ৰহণৰ বাবে জিলাখনক ১১৩টা ছেক্টৰত ভাগ কৰা হৈছে। নিৰ্বাচন পৰিচালনাৰ বাবে নিয়োগ কৰা মাণ্ডলিক বিষয়া, অসামৰিক ছেক্টৰ বিষয়া আৰু গোৱালপাৰা আৰক্ষী ছেক্টৰ বিষয়াসকলৰ লগত জিলা প্ৰশাসনে কালি বিয়লি নিৰ্বাচনৰ চূড়ান্ত প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত কৰে।

ইফালে দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত হাতশিঙিমাৰীৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি জিলাখনৰ নিৰ্বাচনৰ নিৰ্বাচনী দায়িত্বত নিয়োজিত ৪ শতাধিক বুথ পৰ্যায়ৰ বিষয়াক প্ৰশিক্ষণ দিয়া হয়।

আনহাতে কোকৰাঝাৰ জিলাতো জিলা প্ৰশাসনে শেষ পৰ্যায়ৰ ভোটাৰসকলক  সজাগ কৰাৰ লক্ষ্যৰে সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ই ভি এমৰ ব্যৱহাৰ সম্পৰ্কত ভোটাৰসকলক নিৰ্দেশনা প্ৰদান কৰাৰ লগতে এই কাৰ্যসূচীত দুৰ্গম অঞ্চলৰ ভোটাৰসকলক ভোটদানৰ বাবে উৎসাহিত কৰা হয়।

ooooo

নিৰ্বাচনী কৰ্তব্যত গাফিলতি কৰাৰ অভিযোগত আজি গোৱালপাৰা নিৰ্বাচনী জিলাত এগৰাকী ছেক্টৰ বিষয়াক নিলম্বন কৰা হয়। ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত জলেশ্বৰ বিধানসভা সমষ্টিৰ তৰংগাপুৰ ভোটগ্ৰহণ কেন্দ্ৰৰ ছেক্টৰ বিষয়া হিচাপে কৰ্মৰত চন্দন দাস নামৰ বিষয়াগৰাকীক আজি নিলম্বিত কৰা হয়। জিলা নিৰ্বাচনী বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে আজি এটা নিৰ্দেশ যোগে বিষয়াগৰাকীক তৎকালীন ভাবে কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰে।

ooooo

ঃসমাপ্তঃ